# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-09-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি চীনৰ তিয়ানজিনত অনুষ্ঠিত চাংহাই সহযোগিতা সংস্থাৰ পূৰ্ণাংগ সত্ৰত ভাষণ দিব।

২। দেশৰ মুঠ ঘৰুৱা উৎপাদন ৭ দশমিক ৮ শতাংশলৈ বৃদ্ধিয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অৰ্থনীতি পৰিচালনাৰ বিচক্ষনতাক প্ৰমাণ কৰিছে বুলি কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজুৱে প্ৰকাশ কৰিছে।

৩। আজিৰে পৰা কাৰ্যকৰী হোৱাকৈ ব্যৱসায়িক ৰন্ধন গেছৰ প্ৰতিটো চিলিণ্ডাৰৰ মূল্য ৫১ টকা ৫০ পইচাকৈ হ্ৰাস কৰা হৈছে।

৪। জম্মু-কাশ্মীৰৰ শেহতীয়া ডাৱৰ বিস্ফোৰণ আৰু আকস্মিক বানৰ ক্ষয়-ক্ষতিৰ পৰ্যালোচনাৰ বাবে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আজি জম্মুলৈ যাব।

*আৰু*

৫। ৰাজগীৰত অনুষ্ঠিত এছিয়া কাপ হকী প্ৰতিযোগিতাত জাপানক ৩-২ গলত পৰাস্ত কৰি ভাৰতে ছুপাৰ-ফ'ৰ পৰ্যায়ত প্ৰৱেশ কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি চীনৰ তিয়ানজিনত অনুষ্ঠিত চাংহাই সহযোগিতা সংস্থাৰ পূৰ্ণাংগ সত্ৰত ভাষণ দিব। বিদেশ সচিব বিক্ৰম মিশ্ৰিয়ে তিয়ানজিনৰ সংবাদদাতাক জনোৱা মতে, শ্ৰীমোদীয়ে তেওঁৰ ভাষণত আঞ্চলিক সহযোগিতা বৃদ্ধি কৰাৰ ক্ষেত্ৰত ভাৰতৰ দৃষ্টিভংগী সন্দৰ্ভত বক্তব্য আগবঢ়াব। ইয়াৰ পাছত তেওঁ ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনৰ সৈতে এখন দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব।

ইয়াৰ পূৰ্বে কালি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু চীনৰ ৰাষ্ট্ৰপতি শ্বি ঝিনপিঙে ভাৰত আৰু চীনৰ দ্বিপাক্ষিক সম্পৰ্ক পুনৰ গঢ়ি তোলাৰ লক্ষ্যৰে আলোচনাত মিলিত হয়। এই বৈঠকত প্ৰধানমন্ত্ৰী মোদীয়ে দ্বিপাক্ষিক সম্পৰ্ক অটুট ৰখাৰ বাবে দুয়োখন দেশৰ মাজৰ সীমান্ত অঞ্চলত শান্তি আৰু স্থিতাৱস্থা বাহাল ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। সীমান্তত শান্তি আৰু স্থিৰতা বজাই ৰখাতো ভাৰত-চীন সম্পৰ্কৰ বাবে এটা বীমা নীতিৰ দৰে বুলি প্ৰধানমন্ত্ৰীয়ে চীনৰ ৰাষ্ট্ৰপতিগৰাকীক স্পষ্ট কৰি দিয়ে। বিদেশ সচিব শ্ৰীমিশ্ৰিয়ে কয়, যে ২০২০ চনৰ জুনত গলৱান উপত্যকাত ভাৰতীয় আৰু চীনৰ সেনাৰ মাজৰ সংঘৰ্ষক লৈ সৃষ্টি হোৱা উত্তেজনামূলক পৰিস্থিতিৰ পাছত বিগত মাহ কেইটাত দুয়োখন দেশে সম্পৰ্ক সুদৃঢ় কৰাৰ ক্ষেত্ৰত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে। শ্বি ঝিনপিঙৰ সৈতে হোৱা এই আলোচনাত শ্ৰীমোদীয়ে সীমান্তৰ ইপাৰৰ সন্ত্ৰাসবাদৰ প্ৰত্যাহ্বানৰ কথা উল্লেখ কৰি ইয়াক প্ৰতিহত কৰাৰ বাবে

পাৰস্পৰিক সমৰ্থন আৰু সহযোগিতাৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰে। দুয়োগৰাকী নেতাই ভাৰত আৰু চীনৰ মাজত থকা মতভেদসমূহ বিবাদত পৰিণত হোৱা উচিত নহয় বুলি দোহাৰে। তেওঁলোকে লগতে চলিত মাহৰ আৰম্ভণিতে দুয়োখন দেশৰ বিশেষ প্ৰতিনিধিৰ আলোচনাৰ অন্তত লোৱা গুৰুত্বপূৰ্ণ সিদ্ধান্তত সহমত প্ৰকাশ কৰি এই ক্ষেত্ৰত সহযোগিতা আগবঢ়াবলৈ সন্মত হয়। দুয়োগৰাকী নেতাই কৈলাশ-মানসৰোবৰ যাত্ৰা পুনৰ আৰম্ভ কৰা আৰু এই ক্ষেত্ৰত পৰ্যটক ভিছাৰ ব্যৱস্থা কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। তেওঁলোকে লগতে দ্বিপাক্ষিক, আঞ্চলিক আৰু গোলকীয় বিষয় আৰু প্ৰত্যাহ্বানসমূহ বিশেষকৈ সন্ত্ৰাসবাদ আৰু মুক্ত বাণিজ্যৰ ক্ষেত্ৰত বহুপাক্ষিক মঞ্চৰ প্ৰয়োজনীয়তাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজিৰে পৰা তিনিদিনীয়া ভ্ৰমণসূচীৰে কৰ্ণাটক আৰু তামিলনাডুলৈ যাব। শ্ৰীমতী মুৰ্মুৱে আজি মাইশূৰুৰ অখিল ভাৰতীয় বাক আৰু শ্ৰৱণ প্ৰতিষ্ঠানৰ হীৰক জয়ন্তী উদযাপন অনুষ্ঠানত ভাগ ল'ব। কাইলৈ তেওঁ চেন্নাইৰ চিটী ইউনিয়ন বেংকৰ ১২০ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে তামিলনাডুৰ তিৰুৰুৰত কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ দশম সমাৱৰ্তনত অংশ ল'ব।

ooooo

কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজুৱে কয়, যে দেশৰ মুঠ ঘৰুৱা উৎপাদন অৰ্থাৎ জি.ডি.পি. ৭ দশমিক ৮ শতাংশলৈ বৃদ্ধিয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীতকৈ কোনেও যে ভালদৰে অৰ্থনীতি পৰিচালনা কৰিব নোৱাৰে সেয়াই প্ৰমাণ কৰে। নতুন দিল্লীত কালি সাংবাদিকৰ আগত এই কথা প্ৰকাশ কৰি শ্ৰীৰিজিজুৱে কয়, যে বিশ্বৰ শীৰ্ষ অৰ্থনীতবিদসকলে প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰতীয় অৰ্থনীতিক সৰ্বোৎকৃষ্টভাৱে আগবঢ়াই নিছে বুলি প্ৰকাশ কৰিছে। তেওঁ লগতে দেশক আত্মনিৰ্ভৰ কৰি তুলিবলৈ মেক ইন ইণ্ডিয়াৰ প্ৰসাৰ তথা স্বদেশী সামগ্ৰীৰ ব্যৱহাৰত গুৰুত্ব দিব লাগিব বুলি মন্তব্য কৰে।

ooooo

ব্যৱসায়িক ৰন্ধন গেছৰ প্ৰতিটো চিলিণ্ডাৰৰ মূল্য ৫১ টকা ৫০ পইচাকৈ হ্ৰাস কৰা হৈছে। এই সংশোধিত মূল্য আজিৰে পৰা কাৰ্যকৰী হ'ব বুলি তেল ব্যৱসায়ীক কোম্পানীসমূহে কালি প্ৰকাশ কৰিছে। এই অনুসৰি দিল্লীত ১৯ কিল'গ্ৰাম ওজনৰ ব্যৱসায়িক ৰন্ধন গেছৰ এটা চিলিণ্ডাৰৰ মূল্য এতিয়াৰে পৰা এহেজাৰ পাঁচশ আশী টকা হ'ব। অৱশ্যে ১৪ দশমিক ২ কিল'গ্ৰাম ওজনৰ ঘৰুৱা ৰন্ধন গেছৰ চিলিণ্ডাৰৰ মূল্য অপৰিৱৰ্তিত আছে। এই মূল্য হ্ৰাসে দেশৰ ব্যৱসায়িক ৰন্ধন গেছৰ চিলিণ্ডাৰৰ গ্ৰাহকসকলক উপকৃত কৰিব বুলি আশা কৰা হৈছে।

ইয়াৰ পূৰ্বে তেল ব্যৱসায়ীক কোম্পানীসমূহে জুন মাহত প্ৰতিটো ব্যৱসায়িক চিলিণ্ডাৰৰ মূল্য ২৪ টকাকৈ হ্ৰাস কৰিছিল। বিশেষজ্ঞসকলৰ মতে, চিলিণ্ডাৰৰ মূল্য হ্ৰাসে ৰেষ্টুৰেণ্ট, হোটেল আৰু অন্য ব্যৱসায়িক প্ৰতিষ্ঠানসমূহক উপকৃত কৰিব। নিয়মীয়া মাহেকীয়া পুনৰীক্ষণৰ অংশ হিচাপে বিশ্বৰ খনিজ তেলৰ মূল্য আৰু বজাৰ নিৰ্ভৰ অন্যান্য কাৰকৰ ওপৰত ভিত্তি কৰি ৰন্ধন গেছৰ চিলিণ্ডাৰৰ মূল্যৰ হ্ৰাস-বৃদ্ধি কৰা হয়।

00000

জম্মু-কাশ্মীৰত শেহতীয়া ডাৱৰ বিস্ফোৰণ আৰু আকস্মিক বানৰ ক্ষয়-ক্ষতি তথা সম্প্ৰতি চলি থকা উদ্ধাৰ আৰু সাহাৰ্য্য অভিযানৰ পৰ্যালোচনাৰ বাবে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আজি জম্মুলৈ যাব। শ্ৰীশ্বাহে ভূমিস্খলনৰ ফলত বৈষ্ণোদেৱী মন্দিৰলৈ যোৱা ভালেসংখ্যক তীৰ্থযাত্ৰীৰ মৃত্যু হোৱা কাটৰাৰ পৰিস্থিতি পৰ্যালোচনা কৰিব। তেওঁ জম্মুৰ ৰাজ ভৱনত বান সাহাৰ্য্য সন্দৰ্ভত এখন উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হ'ব। এই এদিনীয়া ভ্ৰমণকালত গৃহমন্ত্ৰীগৰাকীয়ে বানত ক্ষতিগ্ৰস্ত অঞ্চলসমূহলৈ হেলিকপ্তাৰেৰে পৰিদৰ্শন কৰিব। তেওঁ লগতে কাকৰায়লত থকা নাৰায়ণা হস্পিতালত ভৰ্তি হৈ থকা আহত লোকসকলৰ স্বাস্থ্যৰো বুজ ল'ব।

00000

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ডঃ মনসুখ মান্দাভিয়াই কালি নতুন দিল্লীত স্কাউট, গাইড, ৰোভাৰ্ছ আৰু ৰেঞ্জাৰ্ছসকলক ৰাষ্ট্ৰপতি বঁটাৰ প্ৰমাণ-পত্ৰসমূহ প্ৰদান কৰে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি ডঃ মান্দাভিয়াই কয়, যে দেশৰ বাবে সেৱা আগবঢ়োৱাটো হৈছে এটা মূল্যবোধ যাৰ ওপৰত ভিত্তি কৰি একোজন ব্যক্তিয়ে সমাজসেৱা আৰু দেশ প্ৰেমৰ ভাৱনাক জিয়াই ৰাখিব পাৰে। তেওঁ কয়, যে ভাৰতীয়সকলৰ এই মূল্যবোধে তেওঁলোকক স্কাউট আৰু গাইডৰ অংশ হৈ দেশ সেৱাত নিয়োজিত হ'বলৈ অনুপ্ৰাণিত কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কালি ২০১৬ আৰু ২০১৮ৰ পৰা ২০২১ চনলৈ ৪৭০ জন স্কাউট, গাইড, ৰোভাৰ্ছ আৰু ৰেঞ্জাৰ্ছক ৰাষ্ট্ৰপতি বঁটাৰ প্ৰমাণ-পত্ৰ প্ৰদান কৰে। অনুষ্ঠানত ভাৰত স্কাউট আৰু গাইডৰ সভাপতি ডঃ অনিল কুমাৰ জৈনে কয়, যে স্কাউট আৰু গাইড কেৱল দক্ষতা ভিত্তিক প্ৰশিক্ষণ কাৰ্যসূচীয়েই নহয়, বৰং ইয়াৰ জৰিয়তে তেওঁলোকক সমগ্ৰ বিশ্বকে এটা পৰিয়াল বুলি অনুভৱ কৰিবলৈ শিকোৱা হয়।

00000

মিজোৰাম চৰকাৰে মাদক দ্ৰব্যৰ অবৈধ ব্যৱসায় ৰোধ কৰাৰ বাবে আজিৰে পৰা চাৰিমহীয়া বিশেষ অভিযান আৰম্ভ কৰিছে। ৰাজ্যখনৰএগৰাকী জ্যেষ্ঠ আৰক্ষী বিষয়াই জনোৱা মতে সুদীৰ্ঘ এই বিশেষ চাৰিমহীয়া অভিযান আজিৰে পৰা আৰম্ভ হৈছে আৰু ই চলিত বছৰৰ ৩১ ডিচেম্বৰত অন্ত পৰিব। আৰক্ষী, আইন বলৱৎকাৰী বিভিন্ন সংস্থা আৰু ইয়ং মিজো এছ'ছিয়েচনৰ উদ্যোগত ৰাজ্যখনৰ ১১ খন জিলাৰ মাদক দ্ৰব্য প্ৰভাৱিত অঞ্চল, গাওঁ আৰু সীমান্ত অঞ্চলত এই অভিযান চলোৱা হ'ব।

মিজোৰামৰ ছখন জিলা বিশেষকৈ- চাম্ফাই, চিহা, লংটলাই, হুনাহথিয়াল, চাইটুৱাল আৰু চেৰচ্চিপ অঞ্চলৰ মাজেৰে স্বাস্থ্যৰ ক্ষতিকাৰক বিভিন্ন মাদক দ্ৰব্যৰ সৰবৰাহ হৈ থাকে। মিজোৰামৰ পৰাই দেশৰ অন্যপ্ৰান্ত তথা বিদেশলৈও মাদক দ্ৰব্য সৰবৰাহ হোৱাৰ লগতে অসম আৰু ত্ৰিপুৰাৰ মাজেৰে বাংলাদেশলৈও ইয়াৰ সৰবৰাহ হয়।

00000

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে হিমাচল প্ৰদেশ আৰু উত্তৰাখণ্ডত আজি প্ৰবল বৰষুণ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰি সতৰ্কতা জাৰি কৰিছে। বতৰ বিজ্ঞান বিভাগে লগতে অহা দুদিনত পূব ৰাজস্থান, হাৰিয়ানা, চণ্ডীগড়, দিল্লী, জম্মু-কাশ্মীৰ, লাডাখ, গিলগিট, বাল্টিস্তান, মুজ্জাফৰাবাদ, ওড়িশা, পঞ্জাৱ আৰু উত্তৰ প্ৰদেশত প্ৰচুৰ বৰষুণ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰিছে। দেশৰ উত্তৰ-পূব অংশতো অহা ৫ দিনলৈ একে ধৰণৰ পৰিৱেশ বাহাল থাকিব বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

০০০০০

বিহাৰৰ ৰাজগীৰত অনুষ্ঠিত এছিয়া কাপ হকী প্ৰতিযোগিতাত জাপানক ৩-২ গলত পৰাস্ত কৰি ভাৰতে ছুপাৰ-ফ'ৰ পৰ্যায়ত প্ৰৱেশ কৰিছে।

ভাৰতৰ হৈ মনদীপ সিঙে খেলখনৰ ৩ মিনিটতে প্ৰথমটো গল দিয়ে। ভাৰতীয় দলৰ অধিনায়ক হৰমনপ্ৰীত সিঙে অনবদ্য প্ৰদৰ্শন অব্যাহত ৰাখি দুটাকৈ গ'ল দিয়ে। ভাৰতীয় দলৰ গল ৰক্ষক কৃষ্ণা বাহাদুৰ পাঠকে প্ৰতিপক্ষৰ কেইবাটাও গল প্ৰতিহত কৰি প্ৰশংসনীয় প্ৰদৰ্শন আগবঢ়ায়।

জাপানৰ হৈ কোচেই কাৱাবেয়ে দুটা গ'ল দিয়ে।

ভাৰতে আজি ৰাজগীৰৰ আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া ষ্টেডিয়ামত কাজাখাস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

**সমাপ্ত**